**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-03-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::::

১। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ প্ৰাক্‌ক্ষণত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ সকলো নাগৰিকলৈ বিশেষকৈ মহিলাসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

২। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কয়, যে মিজোৰাম শান্তি চুক্তিয়ে ৰাজ্যখনত স্থায়ী শান্তি আৰু উন্নয়ন নিশ্চিত কৰিছে।

৩। দেশৰ বিমান সংযোগৰ জৰিয়তে সংযুক্ত অঞ্চলসমূহো দ্ৰুত আৰু ব্যাপক উন্নয়নৰ অভিজ্ঞতা লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নেপালৰ জনসাধাৰণ আৰু চৰকাৰক নিৰ্বাচন সফল আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হৈ যোৱাৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

*আৰু*

৫। ভাৰতে কাইলৈ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ প্ৰাক্‌ক্ষণত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ সকলো নাগৰিকলৈ বিশেষকৈ মহিলাসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাত কয়, যে নাৰীসকল সমাজ আৰু জাতিৰ ভেটি। শিক্ষিত, আত্মনিৰ্ভৰশীল আৰু শক্তিশালী নাৰীসকলে এখন সমৃদ্ধিশালী আৰু প্ৰগতিশীল ৰাষ্ট্ৰ নিৰ্মাণত শক্তিশালীভাৱে অৰিহণা যোগাব পাৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে কয়, যে শিক্ষা, বিজ্ঞান, ক্ৰীড়া, কলা আৰু প্ৰতিৰক্ষাকে ধৰি বিভিন্ন ক্ষেত্ৰত নাৰীসকলে নিজৰ প্ৰতিভা আৰু কঠোৰ পৰিশ্ৰম প্ৰদৰ্শন কৰিছে। নৱ প্ৰজন্মৰ যুৱতীসকলে নতুন ভাৰতৰ সপোনক গঢ় দিছে। শ্ৰীমতী মুৰ্মুৱে প্ৰতিজন নাগৰিকক একত্ৰিত হৈ এনে এখন সমাজ গঢ়ি তোলাৰ বাবে আহ্বান জনাইছে, য'ত মহিলাসকলে সম-সুযোগ আৰু সম-অধিকাৰ লাভ কৰিব পাৰে তথা নিজৰ সামৰ্থৰ ওপৰত ভিত্তি কৰি আগবাঢ়ি যাব পাৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে সকলো মহিলাৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছে।

সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে নাৰী সকলৰ শক্তি, সাহস তথা প্ৰতিভাৰ দ্বাৰা ভাৰতবৰ্ষৰ কাহিনী গঢ় লৈ উঠিছে।

০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কয়, যে মিজোৰাম শান্তি চুক্তিয়ে ৰাজ্যখনত স্থায়ী শান্তি আৰু উন্নয়ন নিশ্চিত কৰিছে। মিজোৰাম বিশ্ববিদ্যালয়ৰ বিংশতিতম সমাৱৰ্তন অনুষ্ঠানত ভাষণ দি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মিজোৰামক দেশৰ ভিতৰত আটাইতকৈ শান্তিপূৰ্ণ ৰাজ্য বুলি উল্লেখ কৰে। মিজোৰাম শান্তি চুক্তিয়ে কেৱল সংঘাটৰ অন্ত পেলোৱাই নহয়, বৰঞ্চ ৰাজ্যখনত বহনক্ষম উন্নয়নৰ ভেটিও দৃঢ় কৰিছে। চি পি ৰাধাকৃষ্ণনে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ গ্ৰগতিৰ সন্দৰ্ভত আলোকপাত কৰি উন্নয়নৰ পদক্ষেপে অঞ্চলটোৰ যুৱক-যুৱতীসকলক উপকৃত কৰিছে বুলি উল্লেখ কৰে। তেওঁ লগতে কয়, যে বিকশিত ভাৰত ২০৪৭ৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাত মিজোৰামে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ অগ্ৰাধিকাৰ সন্দৰ্ভতো উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। তেওঁ আইজলক দেশৰ বাকী অংশৰ সৈতে সংযোগ কৰা ৰে'ল পথকে ধৰি ৰাজ্যখনৰ নিৰ্মিয়মান অন্যান্য আন্তঃগাঁঠনিৰ কথা উল্লেখ কৰে। নিৰ্মিয়মান কালাডান পৰিবহণ প্ৰকল্পই ভৱিষ্যতে চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ সৈতে বাণিজ্যৰ সুযোগ বৃদ্ধি কৰিব বুলিও উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে দেশৰ বিমান সংযোগৰ জৰিয়তে সংযুক্ত অঞ্চলসমূহে দ্ৰুত আৰু ব্যাপক উন্নয়নৰ অভিজ্ঞতা লাভ কৰিছে। আজি নৱনিৰ্মিত কোটা-বুন্দি গ্ৰীণফিল্ড বিমানবন্দৰৰ আধাৰশিলা স্থাপন অনুষ্ঠান উপলক্ষে এটা ভিডিঅ 'বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ২০১৪ চনৰ আগতে ভাৰতত প্ৰায় ৭০ টা বিমানবন্দৰ আছিল আৰু এতিয়া ইয়াৰ সংখ্যা ১৬০তকৈও অধিক। তেওঁ লগতে উল্লেখ কৰে যে এতিয়া দিল্লীৰ চাৰিওফালে কেইবাটাও বিমানবন্দৰ নিৰ্মাণ কৰা হৈছে। শ্ৰী মোদীয়ে কয় যে যেতিয়া বিমানবন্দৰ নিৰ্মাণ কৰা হয়, তেতিয়া কাষৰীয়া চহৰসমূহৰ উদ্যোগখণ্ড আৰু পৰ্যটনক উৎসাহিত কৰে আৰু অঞ্চলটোৰ অৰ্থনৈতিক কাৰ্যকলাপ ত্বৰান্বিত কৰে। তেওঁ লগতে কয় যে কোটা বিমানবন্দৰে কোটা আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহৰ বাবে প্ৰগতিৰ নতুন দুৱাৰ মুকলি কৰিব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে কোটাত কেইবা দশক ধৰি গ্ৰীণফিল্ড বিমানবন্দৰৰ দাবী উত্থাপন হৈ আছিল আৰু এতিয়া সেই সপোন বাস্তৱত পৰিণত হৈছে। তেওঁ কয় যে কোটাত ইতিমধ্যে পৰ্যাপ্ত বিদ্যুৎ আৰু জল সম্পদৰ লগতে শক্তিশালী পথ আৰু ৰে'ল সংযোগ ব্যৱস্থা আছে। আৰু এতিয়া বিমান সংযোগ আৰম্ভ হোৱাৰ লগে লগে উন্নয়নৰ নতুন পথ মুকলি হ'ব। শ্ৰী বিৰলাই লগতে কয় যে যদিও কোটা ইতিমধ্যে দেশৰ অন্যতম শৈক্ষিক কেন্দ্ৰ, ইয়াক ঔদ্যোগিক চহৰ হিচাপে বিকশিত

কৰাৰ বাবেও প্ৰচেষ্টা চলোৱা হৈছে, আৰু অদূৰ ভৱিষ্যতে কোটাত বহুতো উদ্যোগ স্থাপন হ'ব বুলি আশা কৰা হৈছে। এই অনুস্থানতে ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজন লাল শৰ্মাই কয় যে তেওঁৰ চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতিসমূহ দ্ৰুত গতিত পূৰণ কৰিছে। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কিঞ্জাৰাপু ৰাম মোহন নাইডুৱে কয় যে এই বিমানবন্দৰ প্ৰকল্পটোৰ কাম অহা দুবছৰৰ ভিতৰত সম্পূৰ্ণ হ’ব আৰু তাৰ লগে লগেই বিমান সেৱা আৰম্ভ কৰা হ’ব। তেওঁ কয় যে বিমানবন্দৰ নিৰ্মাণত ১৫০০ কোটি টকাতকৈও অধিক ব্যয় কৰা হ 'ব। বিমান বন্দৰটোৰ টাৰ্মিনেল ভৱনটোৱে হাডোটি অঞ্চলৰ কলা আৰু সংস্কৃতিৰ আভাসৰ লগতে আধুনিক আন্তঃগাঁথনি প্ৰতিফলিত কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোটাত বিমানবন্দৰ উন্নয়নৰ দিশত কাম কৰাৰ বাবে লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ প্ৰচেষ্টাৰ সলাগ লয়। এটা ভিডিঅ' বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ওম বিৰলা লোকসভাৰ এগৰাকী উৎকৃষ্ট অধ্যক্ষ আৰু তেওঁ সকলোকে একত্ৰিত কৰি লোকসভাৰ কামকাজসমূহ আগবঢ়াই লৈ যায়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত কাইলৈ প্ৰায় ৩৩ হাজাৰ ৫০০ কোটি টকাৰ বিভিন্ন উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে প্ৰায় ১৮ হাজাৰ ৩০০ কোটি টকা ব্যয় সাপেক্ষ দিল্লী মেট্ৰ' প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ দিল্লী মেট্ৰ'ৰ ১২ দশমিক ৩ কিল'মিটাৰ দৈৰ্ঘ্যৰ মজলিছ পাৰ্ক-মৌজপুৰ বাবৰপুৰ কৰিড'ৰ আৰু ৯ দশমিক ৯ কিল'মিটাৰ দৈৰ্ঘ্যৰ দীপালী চ'ক-মজলিছ পাৰ্ক কৰিড'ৰ উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে দিল্লী মেট্ৰ'ৰ ১৬ কিল'মিটাৰৰো অধিক দৈৰ্ঘ্যৰ আন ৩ টা নতুন কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ১৫ হাজাৰ ২০০ কোটি টকাৰ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

এই নতুন প্ৰকল্পসমূহে নতুন দিল্লীৰ বুৰাৰী, জগতপুৰ-ৱাজিৰাবাদ, খাজুৰীখাচ, ভজনপুৰা, যমুনা বিহাৰ, মধুবন চ'ক, হেইদাৰপুৰ বডলি মোৰ, ভলচোৱা, মজলিছ পাৰ্ককে ধৰি বহুসংখ্যক অঞ্চলৰ জনসাধাৰণক উপকৃত কৰিব। অনুষ্ঠানতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লী মেট্ৰ'ৰ সৰ্বমুঠ ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ তিনিটা নতুন ক'ৰিডৰৰো আধাৰশিলা স্থাপন কৰে।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে জনঔষধি দিৱস উপলক্ষে আজি প্ৰধানমন্ত্ৰী ভাৰতীয় জনঔষধি যোজনাৰ অধীনৰ সমূহ হিতাধিকাৰীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে এই পদক্ষেপে সমগ্ৰ দেশৰ দৰিদ্ৰসকলক ঔষধৰ আৰ্থিক বোজাৰ পৰা মুক্তি আৰু জেনেৰিক ঔষধৰ বিষয়ে সজাগতা বিয়পোৱাত সহায় কৰিছে। বৰ্তমান দেশৰ প্ৰায় ১৮ হাজাৰ জন ঔষধী কেন্দ্ৰই দৰিদ্ৰ আৰু আৰ্তজনক সুলভ আৰু সহজলভ্য ঔষধৰ যোগান ধৰিছে বুলি মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে। তেওঁ কয়, যে এই আঁচনিৰ জৰিয়তে বিশেষকৈ দেশবাসীসকলে প্ৰায় ৪০ হাজাৰ কোটি টকা সঞ্চয় কৰিবলৈ সক্ষম হৈছে।

জনঔষধি দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ভাৰতীয় জনঔষধি পৰিযোজনাৰ জৰিয়তে উপকৃত হোৱা সকলো লোকক শুভেচ্ছা জ্ঞাপন কৰে। জনঔষধি কেন্দ্ৰসমূহে পেলোৱা প্ৰভাৱ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে ইয়াৰ জৰিয়তে দেশৰ অগণন পৰিয়ালে কম খৰচতে প্ৰকৃত তথা উন্নত চিকিৎসা সেৱা লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে এই উদ্যোগে সুলভ মূল্যত গুণসম্পন্ন ঔষধ নাগৰিকক যোগান ধৰাৰ বাবে চৰকাৰে দিয়া প্ৰতিশ্ৰুতিকে প্ৰতিফলিত কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নেপালৰ জনসাধাৰণ আৰু চৰকাৰক নিৰ্বাচন সফল আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হৈ যোৱাৰ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে নেপালৰ জনসাধাৰণে নিজৰ গণতান্ত্ৰিক অধিকাৰ শক্তিশালীভাৱে ব্যৱহাৰ কৰা দেখি আনন্দ প্ৰকাশ কৰিছে। তেওঁ লগতে কয়, যে ঘনিষ্ঠ বন্ধু আৰু প্ৰতিবেশী হিচাপে ভাৰতে নেপালৰ জনসাধাৰণ আৰু তেওঁলোকৰ নতুন চৰকাৰৰ সৈতে শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ নতুন উচ্চতাত উপনীত হোৱাৰ প্ৰতিশ্ৰুতি অব্যাহত ৰাখিব।

০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি শিলিগুৰীত অনুষ্ঠিত নৱম আন্তঃৰাষ্ট্ৰীয় সাঁওতাল আদিবাসী সন্মিলনত অংশগ্ৰহণ কৰাৰ সময়ত প্ৰট'কল বজাই ৰাখিব নোৱাৰাৰ বাবে পশ্চিম বংগ চৰকাৰৰ প্ৰতি অসন্তুষ্টি প্ৰকাশ কৰে। কাৰ্যসূচীৰ পিছতে ৰাজহুৱা বাৰ্তালাপত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কয়, যে প্ৰট'কল অনুসৰি ৰাষ্ট্ৰপতিৰ ভ্ৰমনৰ সময়ত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী উপস্থিত থাকিব লাগে।

ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে আদিবাসী সম্প্ৰদায়ৰ বহু লোকক সাঁওতাল সন্মিলনত অংশগ্ৰহণ কৰাত বাধা দিয়া হৈছিল। ৰাজ্য চৰকাৰে সন্মিলনৰ বাবে উপযুক্ত স্থান প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰি ৰাষ্ট্ৰপতি গৰাকীয়ে কয় যে ৰাজ্য চৰকাৰৰ বিষয়াসকলো এই সন্মিলনত উপস্থিত নাছিল।

০০০০

ভাৰত কাইলৈ আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ন হ'ব। ফাইনেল খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া ৭ বজাৰ পৰা আৰম্ভ হ'ব। যোৱাবাৰৰ চেম্পিয়ন ভাৰতে টি-২০ বিশ্বকাপত চতুৰ্থবাৰৰ বাবে ফাইনেলত অৱতীৰ্ন হ'ব। ভাৰতীয় দলটোৰ লক্ষ্য হৈছে তৃতীয়বাৰৰ বাবে টি-২০ বিশ্বকাপৰ চেম্পিয়নৰ খিতাপ জয় কৰা। ইপিনে প্ৰথমবাৰৰ বাবে খিতাপ জয় কৰাৰ লক্ষ্যৰে নিউজিলেণ্ডে প্ৰতিযোগিতাত নিজৰ দ্বিতীয়খন ফাইনেল খেলিব।

সূৰ্যকুমাৰ যাদব নেতৃত্বাধীন ভাৰতীয় দলটোৱে দ্বিতীয়খন ছেমিফাইনেলত ইংলেণ্ডক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰাৰ লগতে মিচেল চেন্থনাৰ নেতৃত্বাধীন নিউজিলেণ্ডে প্ৰথমখন ছেমিফাইনেলত দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰিছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ